# H.S. Pre-Final Examination, 2021

## Subject : Assamese (MIL)

Total Marks : 100 Time : 3 Hours

১। যিকোনো পাঁচটাৰ উত্তৰ দিয়া। ১x ৫= ৫

(ক) লক্ষ্মীনাথ বেজবৰুৱাৰ আত্মজীৱনীখনৰ নাম কি?

(খ) 'Comedy of Errors' কি নামেৰে অসমীয়ালৈ অনুবাদ হৈছিল?

(গ) অসমীয়া সাহিত্যত কোনে প্ৰথম কথা কবিতা ৰচনা কৰিছিল?

(ঘ) আনন্দৰাম বৰুৱাই কোনখন গ্ৰন্থত কামৰূপৰ ভাওনাৰ কথা উল্লেখ কৰিছিল?

(ঙ) কোনখন পুথিৰ বাবে শীলভদ্ৰই সাহিত্য অকাদেমী বঁটা লাভ কৰিছিল?

(চ) তৈত্তিৰীয় উপনিষদৰ প্ৰথম উপদেশ কি?

(ছ) 'বৈজ্ঞানিক মানসিকতা কিদৰে গঢ়িব পাৰোঁ' প্ৰবন্ধটো লেখকৰ কোনখন গ্ৰন্থৰ পৰা লোৱা হৈছে?

২। যিকোনো সাতটাৰ উত্তৰ দিয়া। ২x ৭= ১৪

(ক) ওমৰ খায়াম কোন? তেওঁ ৰচনা কৰা পুথি এখনৰ নাম লিখা।

(খ) 'মোৰ মাতৃমুখ দৰ্শন' পাঠটিত উল্লেখ থকা 'মাজিউ' আৰু 'জ্ঞান' কোন?

(গ) 'প্ৰকৃষ্ট' আৰু 'অনিয়া-অনি' শব্দ দুটাৰ অৰ্থ লিখা।

(ঘ) কেনেদৰে নিজৰ পৰিচয় দি আনন্দৰাম বৰুৱাই সন্তোষ লাভ কৰিছিল?

(ঙ) 'শ্ৰদ্ধয়া দেয়ম অশ্ৰদ্ধয়া অদেয়ম' মানে কি?

(চ) শীলভদ্ৰৰ দুখন গল্পসংকলনৰ নাম লিখা?

(ছ) বৰ্তমান সময়ত চিঠিৰ প্ৰাসঙ্গিকতা কিয় কমি গ'ল?

(জ) 'সপোনত পোৱা ঔষধ' ৰোগীয়ে কিয় ব্যৱহাৰ কৰা অনুচিত?

(ঝ) 'মোৰ মাতৃমুখ দৰ্শন' শীৰ্ষক পাঠটিৰ নামাকৰণৰ তাৎপৰ্য বাখ্যা কৰা ।

৩। যিকোনো চাৰিটাৰ উত্তৰ দিয়া। ৪ x ৪=১৬

(ক) কথা কবিতা বুলিলে কি বুজা? ইয়াৰ তিনিটা বৈশিষ্ট্য লিখা।

(খ) একাগ্ৰতা গুণে আনন্দৰাম বৰুৱাক কেনেধৰণে সহায় কৰিছিল?

(গ) 'ভাৰতীয় সংস্কৃতিৰ মূলধাৰ বেদ'- কথাষাৰ বহলাই লিখা।

(ঘ) চুটিগল্প কাক বোলে? চুটিগল্পৰ দুটা বৈশিষ্ট্য লিখা।

(ঙ) বৈজ্ঞানিক মানসিকতাৰ অভাৱত আমাৰ সমাজত বৰ্তি থকা তিনিটা অন্ধবিশ্বাসৰ বিষয়ে উল্লেখ কৰা।

৪। যিকোনা পাঁচটাৰ উত্তৰ দিয়া। ১x ৫= ৫

(ক) মাধৱদেৱৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ বুলি কোনখন গ্ৰন্থক কোৱা হয়?

(খ) মাধৱদেৱৰ'উঠৰে উঠ বাপু গোপাল হে' বৰগীতটো কি ৰাগত বন্ধা?

(গ) 'বিশ্বখনিকৰ' বুলি লেখকে কাৰ কথা কৈছে?

(ঘ) 'কাঠমিস্ত্ৰীৰ ঘৰ' কবি-ািটি ক'ত প্ৰথম প্ৰকাশ হৈছিল?

(ঙ) কেশৱ মহন্তই কোনখ. কাব্যগ্ৰন্থৰ বাবে সাহিত্য অকাদেমি বঁটা লাভ কৰিছল?

(চ) নৱকান্ত বৰুৱাৰ এখন কবিতাপুথিৰ নাম লিখা।

(ছ) নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাৰ এটি বৈশিষ্ট্য লিখা।

৫। যিকোনো পাঁচটাৰ উত্তৰ লিখা। ২ x ৫ = ১০

(ক) 'সব পুৰুষৰ শিৰৰ ভূষণ' বুলি কোনে, কাক, কিয় কৈছে?

(খ) সত্বঃ, ৰজঃ তমো গুণ কি বুজাই লিখা।

(গ) 'কাঠমিস্ত্ৰীৰ ঘৰ' কবিতাটিৰ বিষয়ে নৱকান্ত বৰুৱাই কি কৈছিল?

(ঘ) 'জয়ন্তী'ৰ কবিসকলৰ কবিতাৰ দুটা বৈশিষ্ট্য লিখা।

(ঙ) নিৰ্মলপ্ৰভা বৰদলৈৰ দুখন কবিতা পুথিৰ নাম লিখা।

(চ)'উৰুলি' আৰু'ৰাগি' শব্দ দুটাৰ অৰ্থ লিখা।

৬। যিকোনো এটা কবিতাৰ মূলভাব লিখা। ৫

বৰগীত (উঠ ৰে উঠ বাপু গোপাল হে...), আঘোণৰ কুঁৱলী

৭। প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা। (যিকোনো এছোৱা) ৫

(ক) বিশ্বৰ যত কৰ্মীৰ দল

তেজ ঢালি গঢ়ে প্ৰাসাদ উজ্জ্বল'

(খ) মই মোক

মোৰ সন্তানৰ কাৰণে

ক'ত থৈ যাম

ক'ত ??

৮। উত্তৰ দিয়া। (যিকোনো দুটা) ১× ২= ২

(ক) 'ধুমুহা আৰু পীড়নৰ সময়' বুলি কোন চোৱা সময়ক কোৱা হয়?

(খ) কৈশোৰ কালৰ এটি বৈশিষ্ট্য উল্লেখ কৰা।

(গ) কৈশোৰ কালৰ বাবে প্ৰচলিত শিক্ষাক কি শিক্ষা বুলি কোৱা হয়?

৯। যিকোনো দুটাৰ উত্তৰ লিখা। ২× ২ = ৪

(ক) কৈশোৰ কালৰ বাবে প্ৰস্তুত কৰা মাধ্যমিক স্তৰৰ পাঠ্যক্ৰমত থকা চাৰিটা মৌলিক বিষয় কি কি ?

(খ) কিশোৰ সংস্কৃতি কি?

(গ) মাধ্যমিক স্তৰৰ শিক্ষাৰ দুটা প্ৰধান বিশেষত্ব লিখা।

১০। যিকোনো এটাৰ উত্তৰ লিখা। ১ x ৪= ৪

(ক) “কিশোৰ কিশোৰীৰ মনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ’ল পৰিচিতিৰ সংঘাত।’- বাখ্যা কৰা।

(খ) কৈশোৰ কালৰ আৱেগিক আৰু সামাজিক বিকাশৰ বিষয়ে বহলাই লিখা।

১১। (ক) ক্ৰিয়াবিভক্তি কাক বালে? দুটা উদাহৰণ দিয়া। ২

(খ) প্ৰত্যয় কাক বোলে ? ই কেইপ্ৰকাৰৰ ? ২

১২। (ক) অসমীয়া কাৰকবাচক বিভক্তিৰ এখন তালিকা প্ৰস্তুত কৰা। ৫

(খ) তলৰ শব্দবোৰত কি প্ৰত্যয় যোগ হৈছে ভাঙি দেখুওৱা (যিকোনো পাঁচটা) ৫

খেতি, খাৱন, ধাননি, বীণাপানি, লিখক, উজনি, ৰসাল।

১৩। তলৰ জতুৱা ঠাঁচবোৰেৰে বাক্য গঠন কৰা। (যিকোনো ছটা) ৬

চকু কপালত উঠা,ঊনৈশত বা বলা, কপাল ফুলা, গা এৰা দিয়া, হাত লৰ, হিয়াৰ আমঠু, হাত দীঘল, চকু চৰহা।

১৪। যিকোনো এখন ৰচনা লিখা। ১০

(ক) তোমাৰ প্ৰিয় সাহিত্যিক।

(খ) মানৱ সমাজলৈ বিজ্ঞানৰ অৱদান।

(গ) টকিঅ’ অলিম্পিক ২০২০।

(ঘ) ক’ভিড-১৯ কৰোনা ভাইৰাছ।

***